# NSD NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-01-2026
**Time :** 1910 Hrs.

## *Assamese Evening Bulletin*
## HEADLINES

১। তিনিদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি সোমনাথত উপস্থিত হৈছে।

২। আইন-শৃংখলা পৰিস্থিতিয়ে ৰাজ্যৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে বুলি কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে মন্তব্য কৰে।

৩। শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি নতুন দিল্লীত ৫৩ সংখ্যক বিশ্ব গ্ৰন্থমেলা ২০২৬ উদ্বোধন কৰে।

৪। ইৰাণত চলি থকা প্ৰতিবাদ ৰাজধানী তেহৰাণ তথা অন্যান্য প্ৰধান চহৰসমূহলৈ সম্প্ৰসাৰিত হৈছে।

*আৰু*

৫। মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত এখন খেলত গুজৰাট জায়েণ্টছে, ইউ পি ৱাৰিয়ৰ্ছক ১০ ৰাণত পৰাজিত কৰে।

০০০০০০

তিনিদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি সোমনাথত উপস্থিত হৈছে। প্ৰধানমন্ত্ৰীয়ে গুজৰাটৰ প্ৰবাস পাতনাত উদযাপিত সোমনাথ স্বাভিমান পৰ্বত অংশগ্ৰহণ কৰাৰ কথা আছে।

এহেজাৰ ২৬ চনত সোমনাথ মন্দিৰ আক্ৰমণৰ এহেজাৰ বছৰ সম্পূৰ্ণ আৰু ১৯৫১ চনত স্বাধীনতাৰ পাছত পুনৰুদ্ধাৰৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে প্ৰধানমন্ত্ৰীয়ে ওমকাৰ জপ পৰ্বত অংশগ্ৰহণ কৰিব। প্ৰাৰ্থনাৰ পাছতে প্ৰভাস পাতনাৰ আকাশত ড্ৰোণ শ্ব' প্ৰদৰ্শন কৰা হ'ব। কাইলৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে শৌৰ্য যাত্ৰাত অংশগ্ৰহণ কৰাৰ লগতে সোমনাথ মহাদেৱক প্ৰাৰ্থনা কৰিব। এই উদ্দেশ্যে প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ সোমনাথত এখন জনসভা সম্বোধন কৰিব। ইয়াৰ পাছতে তেওঁ ৰাজপুতলৈ গৈ ভ্ৰাইব্ৰেণ্ট গুজৰাট শীৰ্ষক আঞ্চলিক সন্মিলন উদ্বোধন কৰিব।

০০০০০০

আইন-শৃংখলা পৰিস্থিতিয়ে যিকোনো ৰাজ্যৰ  উন্নয়নৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে। ৰাজ্যসমূহৰ উন্নত আইন-শৃংখলা পৰিবেশে বিনিয়োগকাৰীসকলক বিনিয়োগ কৰিবলৈ আকৰ্ষণ কৰে। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে ৰাজস্থানৰ জয়পুৰত আজি সন্ধিয়া অনুষ্ঠিত নিয়োগপত্ৰ বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰি এইদৰে প্ৰকাশ কৰে। শ্ৰীশ্বাহে কয় যে বিভিন্ন প্ৰত্যাহ্বান সত্বেও ৰাজস্থান চৰকাৰে আইন-শৃংখলা পৰিস্থিতি উন্নত কৰাৰ বাবে বিশেষ মনোযোগ দিছিল আৰু ইয়াৰ ফলস্বৰূপে ৰাজ্যখন বৰ্তমান বিনিয়োগকাৰীৰ আকৰ্ষণৰ লক্ষ্য হৈ পৰিছে। তেওঁ কয় যে ৰাজস্থানৰ ভৱিষ্যত বৰ উজ্জ্বল। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে যেতিয়া ৰাজ্যৰ যুৱ প্ৰজন্মই দুৰ্নীতি অবিহনে আৰু স্বচ্ছ নিযুক্তি প্ৰক্ৰিয়াৰে কৰ্মসংস্থাপন লাভ কৰে তেতিয়া এখন ৰাজ্যৰ অগ্ৰগতি হোৱা বুলি নিশ্চিত হ'ব পাৰি। তেওঁ কয় যে নিযুক্তি দুৰ্নীতিমুক্ত আৰু স্বচ্ছ প্ৰক্ৰিয়াৰে হোৱাটো অতি প্ৰয়োজনীয়।

নতুন ভাৰতীয় ন্যায় সংহিতাৰ অনুচ্ছেদসমূহত আলোকপাত কৰি শ্ৰীশ্বাহে কয় যে এই আইনকেইখন সম্পূৰ্ণৰূপে কাৰ্যকৰী হোৱাৰ পাছত ন্যায় প্ৰদান কাৰ্যই ক্ষিপ্ৰতা লাভ কৰিব। ইয়াৰ জৰিয়তে দীঘলীয়া আইন প্ৰক্ৰিয়াৰ সমাপ্তি ঘটিব বুলিও তেওঁ আশা প্ৰকাশ  কৰে।

মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাই অনুষ্ঠানত অংশগ্ৰহণ কৰি কয় যে তেওঁৰ চৰকাৰে আৰক্ষী বাহিনীক উন্নত কৰাৰ বাবে প্ৰতিশ্ৰুতি দিছিল। সেই প্ৰতিশ্ৰুতি পূৰণ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীশ্বাহে ৰাজস্থান আৰক্ষীৰ ১০ হাজাৰ নৱনিযুক্ত কনিষ্টবলক নিযুক্তিপত্ৰ প্ৰদান কৰে।

০০০০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত বিত্ত বিভাগৰ বিষয়ববীয়াসকলৰ এখন বৈঠকক অধক্ষ্যতা কৰে। ২৮ জানুৱাৰীৰ পৰা আৰম্ভ হ'বলগীয়া সংসদৰ বাজেট অধিৱেশনৰ পূৰ্বে অনুষ্ঠিত হোৱা এই বৈঠকত বিত্ত বিভাগৰ ৰাজ্যমন্ত্ৰী পংকজ চৌধুৰীৰ লগতে বিভাগৰ জেষ্ঠ্য বিষয়াসকল উপস্থিত থাকে।

০০০০০০

শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি নতুন দিল্লীত ৫৩ সংখ্যক বিশ্ব গ্ৰন্থমেলা ২০২৬ ৰ উদ্বোধন কৰিছে। ৯ দিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া এই গ্ৰন্থমেলাত বিশ্বৰ ৩৫খনতকৈ অধিক দেশৰ সহস্ৰাধিক প্ৰকাশকে অংশগ্ৰহন কৰিছে। গ্ৰন্থমেলাখনিৰ শুভাৰম্ভ কৰি মন্ত্ৰী গৰাকীয়ে কয় যে কিতাপ হৈছে জ্ঞানৰ এনে বাহক যি প্ৰজন্মৰ মাজত সেতুঁ ভুমিকা লোৱাৰ পৰা মানৱ প্ৰজাতিৰ বিভিন্ন সময়ক সাঁচি ৰখাৰ লগতে সমাজৰ পথ প্ৰদৰ্শন কৰি আছে। নতুন দিল্লী বিশ্ব গ্ৰন্থমেলাক দেশৰ অধ্যয়ন সংস্কৃতিৰ লগতে পঢ়ুৱৈ সমাজৰ সৰ্ববৃহৎ অনুষ্ঠান বুলি অভিহিত কৰাৰ লগতে ইয়াক বিশ্বৰ ভিতৰতে সন্মানীয় অনুষ্ঠান বুলিও প্ৰকাশ কৰিছে। শ্ৰী প্ৰধানে লগতে প্ৰকাশ কৰিছে যে আজিৰ ডিজিটেল যুগত জ্ঞানক সকলোৰে মাজলৈ লৈ যোৱাটো চৰকাৰৰ কৰ্তব্য। য'ত ভাষাই বাধাৰ পৰিৱৰ্তে সেতুঁৰ ভুমিকা পালন কৰে। ৰাষ্ট্ৰীয় ই-পুথিভড়ালৰ জড়িয়তে ২৩টাত কৈ অধিক ভাষাত ৬০০০তকৈ অধিক কিতাপ প্ৰকাশ কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। যুৱপ্ৰজন্মক কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহী কৰি তোলাটো চৰকাৰৰ কৰ্তব্য বুলিও তেওঁ কয়।

০০০০০০

বিকশিত ভাৰত, যুৱ নেতা আলোচনা ৰাষ্ট্ৰজোৰা এক আন্দোলনলৈ ৰূপান্তৰিত হৈছে, যাৰ জৰিয়তে যুৱ প্ৰজন্মক প্ৰশাসন আৰু নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত সংযুক্ত কৰা হৈছে। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ ৰাজ্য মন্ত্ৰী হৰ্ষ মালহোট্ৰাই নতুন দিল্লীত অনুষ্ঠিত বিকশিত ভাৰত যুৱ নেতা আলোচনা, ২০২৬ত অংশগ্ৰহণ কৰি এইদৰে প্ৰকাশ কৰে। শ্ৰীমালহোট্ৰাই কয় যে এই আলোচনাই যুৱ নেতাসকলক এখন মঞ্চ দিছে, য'ৰ পৰা তেওঁলোকে নিজৰ আদৰ্শ আৰু মত প্ৰকাশ কৰাৰ লগতে ৰাষ্ট্ৰই সন্মুখীন হোৱা কঠিন প্ৰত্যাহ্বানসমূহৰ সৈতে নিজক জড়িত কৰাৰ আৰু সমাধান আগবঢ়োৱাৰ ক্ষেত্ৰত বৰঙণি আগবঢ়াব পাৰে। তেওঁ কয় যে এই আলোচনা কোনো তাৰকাৰ মঞ্চ নহয়, বৰং এখন গঠনমূলক মঞ্চহে। ইয়াৰ জৰিয়তে যুৱ প্ৰজন্মই ৰাষ্ট্ৰীয় ৰাজনীতি আৰু অগ্ৰাধিকাৰপ্ৰাপ্ত বিষয়সমূহৰ ক্ষেত্ৰত অৰ্থপূৰ্ণ অংশগ্ৰহণ নিশ্চিত কৰিব পাৰে। শ্ৰীমালহোট্ৰাই

কয় যে যুৱ প্ৰজন্মৰ যিসকলে পিছপৰা সম্প্ৰদায়সমূহক আগুৱাই অনাৰ বাবে সক্ৰিয়ভাৱে কাম কৰি আহিছে আৰু ইয়াৰ বাবে দায়ী সামাজিক কাৰকসমূহৰ মাত মাতিছে, লগতে উন্নয়নমূলক দিশটোৰ প্ৰতি সমৰ্থন আগবঢ়াই অহাৰ লগতে গঠনমূলক পৰিৱৰ্তনত আগভাগ লৈছে তেওঁলোকক প্ৰশংসা কৰে।

মন্ত্ৰীগৰাকীয়ে কয় যে যুৱ প্ৰজন্মক সবল কৰি তোলাৰ বাবে গুণগত শিক্ষা, দক্ষতা আৰু কৰ্মসংস্থাপন দিয়াটো চৰকাৰৰ ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰপ্ৰাপ্ত বিষয় হৈ পৰিছে। তেওঁ লগতে এই সন্দৰ্ভত চৰকাৰে গ্ৰহণ কৰা ৰোজগাৰ মেলা, পি এম বিশ্বকৰ্মা, আই টি আই উন্নীতকৰণ, বিভিন্ন আঁচনিৰ জৰিয়তে কৰ্মসংস্থাপন সৃষ্টি তথা প্ৰত্যাশা আৰু সুযোগৰ মাজত সাঁকো সৃষ্টি কৰাৰ বাবে কাম কৰা বুলিও প্ৰকাশ কৰে। শ্ৰীমালহোট্ৰাই যুৱ নেতাসকলক উদ্ভাৱন, উদ্যমিতা, দক্ষতা বিকাশ, সামাজিক আৰু পৰিবেশৰ প্ৰতি দায়িত্বশীল হ'বলৈ আহ্বান জনায়।

oooooo

ইৰানত চলি থকা বৃহৎ প্ৰতিবাদে আজি ১৪ দিনত ভৰি দিছে। দেশখনৰ সেনাবাহিনীয়ে সেনাই আজি কয় যে ই চৰকাৰে দেশখনত চলি থকা এই সৰ্ববৃহৎ প্ৰতিবাদ দমনৰ বাবে কিছু কৌশলগত প্ৰচেষ্টা হাতত লৈছে যিয়ে দেশখনৰ আন্তঃগাঁথনি আৰু ৰাজহুৱা সম্পত্তি সুৰক্ষিত কৰিব। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড 'নাল্ড ট্ৰাম্পে ইৰাণত সামৰিক আক্ৰমণ কৰিব বুলি সতৰ্কবাণী জাৰি কৰাৰ পিছতে ইৰাণৰ সামৰিক বাহিনীয়ে এই বিবৃতিটো প্ৰকাশ কৰিছে। ইফালে, ইৰানৰ ৰাজধানী তেহৰাণ আৰু দ্বিতীয় সৰ্বাধিক জনবহুল চহৰ মাশ্বাদকে ধৰি দেশখনৰ প্ৰধান চহৰসমূহৰ ৰাজপথত বৃহৎ প্ৰতিবাদৰ চলি আছে। দেশখনৰ সংবাদ মাধ্যমত প্ৰকাশ পোৱা অনুসৰি তেহৰাণৰ পশ্চিমৰ কাৰাজৰ এটা চৰকাৰী ভৱনত প্ৰতিবাদকাৰীসকলে অগ্নি সংযোগ কৰিছে। তেহৰাণৰ মেয়ৰ আলিৰেজা জাকানীয়ে কয়, বৃহস্পতিবাৰে নিশা ৫০তকৈ অধিক বেংক আৰু বহুকেইটা চৰকাৰী অট্টালিকাত জুই লগাই দিয়া হৈছিল। তেওঁ লগতে কয় যে ৩০টাতকৈ অধিক মছজিদো এই জুইত জাহ গৈছে। ইৰাণৰ বিভিন্ন মানৱ অধিকাৰ গোটে প্ৰকাশ কৰা অনুসৰি ৯ জানুৱাৰীলৈকে ৫০ জন প্ৰতিবাদকাৰী আৰু ১৫ জন নিৰাপত্তাৰক্ষীকে ধৰি মুঠ ৬৫ জনৰ মৃত্যু হোৱাৰ লগতে ২৫০০ৰো অধিক প্ৰতিবাদকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে। ইতিমধ্যে সামাজিক মাধ্যমত প্ৰকাশ হৈ থকা ভিডিঅ" বোৰত দেখিবলৈ পোৱা গৈছে যে ইৰানৰ চহৰসমূহৰ মুখ্য অঞ্চলবোৰত এতিয়াও প্ৰতিবাদকাৰীয়ে ভিৰ কৰি আছে।

oooooo

অষ্ট্ৰেলিয়াৰ দক্ষিণ-পূব অঞ্চলৰ ভিক্টোৰিয়া প্ৰদেশত সংঘটিত বনজুইৰ পৰিপ্ৰেক্ষিতত ৰাজ্যিক দুৰ্যোগ ঘোষণা কৰা হৈছে। কেইবাটাও অঞ্চললৈ বনজুই বিয়পি পৰাৰ ফলত ভালেসংখ্যক লোকক স্থানান্তৰ কৰাৰ লগতে জৰুৰীকালীন সেৱা আগবঢ়োৱা হৈছে।

উষ্ণতা, প্ৰচণ্ড বতাহ তথা শুকান বতৰৰ বাবে বনজুই নতুন নতুন অঞ্চললৈ সম্প্ৰসাৰিত হোৱাৰ পৰিপ্ৰেক্ষিতত কৰ্তৃপক্ষই কালি ৰাজ্যিক দুৰ্যোগৰ ঘোষণা কৰে। দেশখনৰ কেইবাখনো নগৰত বনজুই বিয়পি পৰাৰ বাবে বাসিন্দাসকলক তাৎক্ষণিকভাৱে ঘৰ খালী কৰাৰ পৰামৰ্শ দিয়ে।

কেইবাখনো ৰাজ্যৰ পৰা অহা অগ্নিনিৰ্বাপক বাহিনীৰ কৰ্মীয়ে প্ৰতিৰক্ষা কৰ্মীসকলৰ সৈতে জুই নুমোৱা কাৰ্যত সহযোগ কৰিছে। অহা কেইদিনমানৰ ভিতৰত এই অৱস্থা অতি ভয়াবহ হৈ পৰিব পাৰে বুলি কৰ্তৃপক্ষই আনুষ্ঠানিক সতৰ্কতা জাৰি কৰিছে।

০০০০০০

ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী সংস্থাই প্ৰকাশ কৰা মতে পূব কংগো গণৰাজ্যত চলি থকা সংঘৰ্ষৰ বাবে দেশখনৰ পৰা যোৱা ৫০গৰাকীতকৈও অধিক শৰণাৰ্থীৰ প্ৰতিবেশী ৰাষ্ট্ৰ বুৰুণ্ডিত মৃত্যু হৈছে। সংস্থাটোৱে প্ৰকাশ কৰা মতে যোৱা নিশা মুঠ ৫৩জন লোকৰ মৃত্যুৰ তথ্য লাভ কৰা গৈছে। ইয়াৰে ২৫গৰাকী কলেৰা, ৬গৰাকী এনিমিয়া আৰু আন পুষ্টিহীনতাজনিত কাৰণত মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। ৰাষ্ট্ৰসংঘৰ সূত্ৰই প্ৰকাশ কৰা মতে স্বাস্থ্য মন্ত্ৰালয় আৰু অন্যান্য অংশীদাৰি সংস্থাসমূহৰ জৰিয়তে আনকেইজন লোকৰ মৃত্যুৰ কাৰণ অনুসন্ধান চলাই থকা হৈছে। সংস্থাটোৱে জনোৱা মতে ডিচেম্বৰৰ প্ৰথম ভাগতে হোৱা যুদ্ধ আৰু পৰৱৰ্তী সময়ত ইউভিৰা চহৰখন বিদ্ৰোহীসকলে দখল কৰাৰ পৰিপ্ৰেক্ষিতত ১ লাখতকৈও অধিক কংগো নাগৰিকে বুৰুণ্ডিত শৰণাৰ্থী হিচাপে প্ৰবেশ কৰিছিল।

০০০০০০

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি নবী মুম্বাইৰ ডং ডি ৱাই পাটিল স্পৰ্টছ একাডেমীত অনুষ্ঠিত হোৱা এখন খেলত গুজৰাট জায়েণ্টছে, ইউ পি ৱাৰিয়ৰ্ছক ১০ ৰাণত পৰাজিত কৰে। খেলখনত গুজৰাট জায়েণ্টছে প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত অভাৰত ৪টা উইকেট হেৰুৱাই ২০৭ ৰাণ সংগ্ৰহ কৰে। ইয়াৰ প্ৰত্যুত্তৰত ইউ পি ৱাৰিয়ৰ্ছে নিৰ্ধাৰিত অভাৰত সাতটা উইকেট হেৰুৱাই ১৯৭ ৰাণ সংগ্ৰহ কৰে। গুজৰাট জায়েণ্টছৰ জৰ্জিয়া ৱেৰহামক প্লেয়াৰ অব দ্য মেচ ঘোষণা কৰা হয়।

মুম্বাইত হ'বলগীয়া প্ৰতিযোগিতাৰ আজিৰ আনখন খেল মুম্বাই ইণ্ডিয়ানছ, ডেলহি কেপিটেলছৰ মাজত অনুষ্ঠিত হ'ব। খেলখনত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

**সমাপ্ত**